# REGIONAL NEWS UNIT

## ALL INDIA RADIO, GUWAHATI

0000000000

Date : 04-01-2026

**Time :** 1100 Hrs.

০০০০০০০

ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনত বিজেপিয়ে অকলেই ৬৯ৰ পৰা ৭৪ খন আসন লাভ কৰিব বুলি প্ৰাক্ নিৰ্বাচনী সমীক্ষাত অনুমান কৰা হৈছে। দেশৰ আগশাৰীৰ পিপলছ্ পালছ নামৰ এটা সংস্থাই চলোৱা এই সমীক্ষা অনুসৰি এন ডি এ-য়ে অসমত কমেও ৯০ খন আসন লাভ কৰিব। ইয়াৰ বিপৰীতে কংগ্ৰেছে ২৫ৰ পৰা ২৯ খন আসন লাভ কৰাৰ সম্ভাৱনা আছে। সমীক্ষাত প্ৰকাশ পোৱা মতে আসন্ন নিৰ্বাচনত এ আই ইউ ডি এফ আৰু ইউ পি পি এল দলে ৰাজনৈতিক অস্তিত্ব বৰ্তাই ৰখাৰ বাবে সংগ্ৰাম কৰিবলগীয়া হ'ব পাৰে।

উল্লেখযোগ্য যে সংস্থাটোৱে যোৱা ১৫ নৱেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ প্ৰায় ৪৫ দিন ধৰি ৰাজ্যৰ ৩৫ খন জিলাত সমীক্ষা চলাই এই তথ্য লাভ কৰিছে।

ইপিনে কংগ্ৰেছে প্ৰিয়ংকা গান্ধীক অধ্যক্ষ হিচাপে লৈ আসন্ন অসম বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী বাছনি সমিতি গঠন কৰিছে। সমিতিত সপ্তগিৰি শংকৰ উলাকা, ইমৰাণ মাছুদ আৰু ডº চিৰিভেল্লা প্ৰসাদক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰদেশ কংগ্ৰেছৰ দায়িত্বৱাহী এ আই চি চিৰ সাধাৰণ সম্পাদক, প্ৰদেশ কংগ্ৰেছৰ সভাপতি, কংগ্ৰেছ বিধায়িনী দলৰ নেতা আৰু এ আই চি চিৰ সম্পাদকসকলো প্ৰাৰ্থী বাছনি সমিতিত সহযোগী সদস্য হিচাপে থাকিব।

অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে বিৰোধী মিত্ৰতা সন্দৰ্ভত কংগ্ৰেছ নেতা গৌৰৱ গগৈৰ সৈতে অনানুষ্ঠানিকভাৱে আলোচনা হোৱা বুলি আৰু এই সন্দৰ্ভত শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে।

*-বাইট-*

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাৰ কালি একাদশ দিনালৈকে ৫ কোটি ৭০ লাখ টকাৰো অধিক মূল্যৰ গ্ৰন্থ বিক্ৰী হৈছে বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। শীতকো নেওচি গ্ৰন্থমেলাথলীত বহু লোকৰ সমাগম হয়। কালি গ্ৰন্থমেলাৰ প্ৰাঙ্গনত মহিলাসকলৰ ভিন্ন সুৱী কাৰ্য্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে বিয়লি ৩ বজাৰ পৰা বহুভাষিক কবি সন্মিলন অনুষ্ঠিত হয়। অপৰাজিতা পূজাৰীয়ে সঞ্চালনা কৰা এই অনুষ্ঠানত হায়দৰাবাদৰ বিশিষ্ট কবি ৰমেশ কাৰ্তিক আৰু উত্তৰ প্ৰদেশ আগশাৰীৰ কবি গৌৰৱ পাণ্ডে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ইয়াৰ পাছতে বিদ্যালয়ৰ সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি গ্ৰন্থমেলাত শিশু দিন উদযাপন কৰা হ'ব। এই কাৰ্যসূচী গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত, কবি-সাহিত্যিক, পাৰ্থসাৰথি মহন্তই উদ্বোধন কৰিব। বিয়লি ২ বজাত জন্মশতবৰ্ষ উপলক্ষে সুধাকণ্ঠ ডº ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি আৰু ৫ বজাৰ পৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে বান তথা জলক্ষেত্ৰৰ দুৰ্ঘটনা প্ৰশমনত সহায় হোৱাকৈ ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী- এছ্ ডি আৰ এফলৈ ৪০ খন যন্ত্ৰচালিত উদ্ধাৰকাৰী ৰবৰ নাও আগবঢ়াইছে। গুৱাহাটী প্ৰৱেশদ্বাৰত কালি আয়োজিত এটা অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই এছ্ ডি আৰ এফৰ ব্যৱহাৰৰ বাবে অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগক আনুষ্ঠানিকভাৱে এই নাওসমূহক গতাই দিয়ে। অনুষ্ঠানত মন্ত্ৰী

কেশৱ মহন্তই বানৰ উপৰি অন্য দুৰ্যোগ তথা জলক্ষেত্ৰৰ দুৰ্ঘটনাজনিত পৰিস্থিতিত সহজে এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই লৈ যাব পৰা এই নাওসমূহে এছ ডি আৰ এফৰ সামৰ্থ বৃদ্ধিত অৰিহণা যোগাব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে ৩০ অশ্ব ক্ষমতাৰ ইঞ্জিনৰ লগত লাইফ জেকেটসহ উদ্ধাৰ অভিযানত ব্যৱহৃত অত্যাধুনিক আহিলাৰে সমৃদ্ধি এনে ৰবৰ নাৱৰ জৰিয়তে এবাৰতে ৮-১০ গৰাকী লোকক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ আনিব পৰা যাব। উল্লেখযোগ্য যে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এতিয়ালৈকে ৩০১ খন দ্ৰুতবেগী যন্ত্ৰচালিত নাও এছ ডি আৰ এফলৈ আগবঢ়াইছে।

০০০০০

ৰাজ্যত বৰ্তমানলৈকে এক লাখ ৬০ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছে, যদিও এতিয়াও ১২ লাখ ভূমি দখলমুক্ত কৰিবলগা আছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দুধনৈত কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশ লৈ সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যৰ প্ৰতিখন জিলাত দখলীকৃত ভূমিৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলিব। নামনি অসমৰ জিলাসমূহত ভালেসংখ্যক অচিনাকী লোক প্ৰৱেশ কৰি থকা বুলি উঠা অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰৰ হাতত এতিয়া বহু সুবিধা আছে। তেওঁ কয়, যে কোনো লোক বিদেশী বুলি নিৰ্দিষ্ট অভিযোগ পালে বিদেশী ন্যায়াধীকৰণৰ পৰিৱৰ্তে জিলা আয়ুক্তই বিচাৰ কৰি ২৪ ঘণ্টাৰ ভিতৰতে ব্যক্তিজনক বহিষ্কাৰ কৰিব পাৰিব। অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি বহিষ্কাৰ কৰা কাৰ্য উচ্ছেদৰ দৰে ক্ষীপ্ৰতাৰে চলি থাকিব বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

০০০০০০০০

**সমাপ্ত**